৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰৰ বিষয়ে বহলাই আলোচনা কৰা।

(খ) ব্যাকৰণ বুলিলে কি বুজা? অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(গ) বাক্যতত্ত্ব বুলিলে কি বুজা? অসমীয়া ভাষাৰ বাক্যতত্ত্ব সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

★★★





**2023**

ASSAMESE

Paper : ASMRG6026

**( Functional Grammar of Assamese )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো ছয়টা) : ১×৬=৬

(ক) 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' নামৰ ব্যাকৰণ গ্ৰন্থখনৰ লিখক কোন?

*(i)* হেমচন্দ্ৰ বৰুৱা

*(ii)* সত্যনাথ বৰা

*(iii)* কালিৰাম মেধি

*(iv)* ড. উপেন্দ্ৰনাথ গোস্বামী

(খ) সত্যনাথ বৰাৰ 'বহল ব্যাকৰণ'খনৰ প্ৰকাশৰ চন কোনটো?

*(i)* ১৮৫৯ খৃঃ

*(ii)* ১৯২৫ খৃঃ

*(iii)* ১৯৩৬ খৃঃ

*(iv)* ১৯৮১ খৃঃ



( Turn Over )

(গ) অসমীয়া ভাষাৰ শব্দ-বিভক্তি কেইবিধ ?

*(i)* চাৰিবিধ

*(ii)* পাঁচবিধ

*(iii)* ছয়বিধ

*(iv)* সাতবিধ

(ঘ) অসমীয়া ভাষাত বাক্যক কেইভাগত ভগাব পাৰি ?

*(i)* তিনি ভাগত

*(ii)* চাৰি ভাগত

*(iii)* পাঁচ ভাগত

*(iv)* ছয় ভাগত

(ঙ) অসমীয়া ভাষাত ক্রিয়াবাচক বিশেষ্য পদ কোনবোৰ ?

*(i)* সভা, সমিতি, পৰিষদ, ৰাইজ

*(ii)* সুখ, দুখ, ল'ৰালি, ভদ্রতা

*(iii)* খাৱন, শোৱন, নাচন, অধ্যয়ন

*(iv)* দেউতা, মা, মামা, দাদা

(চ) পাণিনিৰ 'অষ্টাধ্যায়ী' নামৰ ব্যাকৰণখনত কেইটা অধ্যায় আছিল ?

*(i)* সাতটা

*(ii)* আঠটা

*(iii)* নটা

*(iv)* দহটা





(ছ) 'ৰাতি' শব্দটোৰ সমাৰ্থক শব্দ হ'ল

*(i)* তটিনী

*(ii)* যামিনী

*(iii)* পিনাকী

*(iv)* আলয়

(জ) তলৰ কোনটো বিশেষণীয় বিশেষণ পদ, লিখা।

*(i)* অত্যন্ত গৰ্হিত কাম

*(ii)* আন্তৰ্জাতিক সমস্যা

*(iii)* দৌৰা-দৌৰিকৈ

*(iv)* জনবহুল নগৰ

(ঝ) তলত দিয়া শব্দসমূহৰ পৰা তৎসম শব্দসমূহ বাছি উলিওৱা

*(i)* হাফলু, মাইহাং, জখলা, হেঙ্গাৰ

*(ii)* ভক্তি, ৰত্ন, মৰ্ম্ম, ধৰ্ম সপত্নী

*(iii)* ভঙ্গুৰা, আলাবাদু, ঘুটমুট, লাটুম

*(iv)* আঁচুসূতা, জহমাল, গেৰেকণি, গাহৰি

(ঞ) 'বুৰঞ্জী' শব্দটো অসমীয়া ভাষালৈ তলত উল্লেখ কৰা কোনেটো ভাষাৰ পৰা অহা ?

*(i)* কোল-মুণ্ডাৰী

*(ii)* বড়ো

*(iii)* আহোম

*(iv)* মালয়

২। তলত দিয়া প্ৰশ্নসমূহৰ অতি চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) ড. বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনৰ নাম কি?

(খ) প্ৰত্যয় মূলৰূপৰ কোন কোন স্থানত বহিব পাৰে?

(গ) অসমীয়া ভাষাত পঞ্চমী বিভক্তি বুজাবলৈ কি নিয়ম অৱলম্বন কৰা হয়?

(ঘ) অসমীয়া ভাষাৰ স্ত্ৰী-প্ৰত্যয় কেইটা আৰু কি কি?

(ঙ) অসমীয়া ভাষাত পুৰুষ কেইবিধ আৰু কি কি?

(চ) ধাতু কাক বোলে, উদাহৰণসহ লিখা।

(ছ) কাল কেইপ্ৰকাৰৰ আৰু কি কি?

৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো ছয়টা) : ৫×৬=৩০

(ক) বিভক্তি আৰু প্ৰত্যয়ৰ পাৰ্থক্য কি, উদাহৰণসহ ব্যাখ্যা কৰা।

(খ) সমাপিকা আৰু অসমাপিকা ক্ৰিয়া বুলিলে কি বুজা?

(গ) অসমীয়া ভাষাৰ বহুবচনৰ প্ৰত্যয়বোৰৰ বিষয়ে চমুকৈ লিখা।

(ঘ) পদ বা শব্দৰ শ্ৰেণীবিভাজন সম্পৰ্কে চমুকৈ লিখা।

(ঙ) তলৰ শব্দবোৰৰ বিপৰীত শব্দ কি হ'ব, লিখা :

অনুকূল, কনিষ্ঠ, প্ৰচুৰ, তিৰস্কাৰ, ভীৰু।





(চ) অসমীয়া ভাষাৰ অৰ্ধ তৎসম শব্দবোৰৰ বিষয়ে চমুকৈ লিখা।

(ছ) বিশেষ্য পদ কেইপ্ৰকাৰৰ আৰু কি কি, উদাহৰণসহ লিখা।

(জ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা ধ্বন্যাত্মক শব্দবোৰৰ বিষয়ে লিখা।

(ঝ) সৰ্বনাম পদ কাক বোলে? ই কেইপ্ৰকাৰৰ আৰু কি কি?

(ঞ) অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ বিষয়ে আলোচনা কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) অসমীয়া ভাষাত লিংগভেদ বুজাবলৈ কি কি উপায় অৱলম্বন কৰা হয়, উদাহৰণসহ ব্যাখ্যা কৰা।

(খ) অসমীয়া ভাষাত বানান ভুল হোৱাৰ কেইটামান কাৰণ ফঁহিয়াই দেখুৱা।

(গ) অসমীয়া ভাষাত বিদেশী মূলৰ শব্দ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঘ) গঠন অনুসৰি বাক্যক কি কি ভাগত ভগাব পাৰি, উদাহৰণসহ বুজাই লিখা।